# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-04-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ ৩৩ টা সমষ্টিত আজি অনুষ্ঠিত ভোটগ্ৰহণৰ সামৰণি পৰিছে। পৰিষদৰ অন্তৰ্গত কামৰূপ আৰু গোৱালপাৰা জিলাত বিয়লি ৩ বজালৈ ৬২ শতাংশৰো অধিক ভোটদান হোৱা বুলি ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

কামৰূপ জিলাৰ অন্তৰ্গত ১৪ টা পৰিষদীয় সমষ্টিত বিয়লি তিনি বজালৈ ৬২ দশমিক ৪ -২ শতাংশ ভোটদান হৈছে। পৰিষদৰ অন্তৰ্গত বোন্দাপাৰা সমষ্টিত সৰ্বাধিক ৭১ দশমিক ৫ - ১ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। একেদৰে বকো সমষ্টিত ৬৫ দশমিক ৪ - ৫, উত্তৰ বনগাঁৱত ৬৬ দশমিক ৩ - ৫, গোবৰ্ধনত ৬৭ দশমিক ৪ - ৭ আৰু শিলপোতা সমষ্টিত ৬৬ দশমিক ৬ - ৪ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

গোৱালপাৰা জিলাত বিয়লি ৩ বজালৈকে ৬২ দশমিক ৪ -৪ শতাংশ ভোটদানৰ তথ্য পোৱা গৈছে। ইয়াৰ ভিতৰত দদান সমষ্টিত সৰ্বাধিক ৭১ দশমিক ৯ - ৪ শতাংশ, দাৰিদুৰিত ৭১ দশমিক ০ - ৭, দ্বাৰকা সমষ্টিত ৬৮ দশমিক ৮ - ১ আৰু বৰদামাল কল্যাণপুৰ সমষ্টিত ৬৭ দশমিক ৪ -৩ শতাংশ ভোটদান হৈছে। গোৱালপাৰা জিলাৰ ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰত আজি নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ অনুষ্ঠিত হয়। ভোটগ্ৰহণ হোৱা বেলট বাকচসমূহ জিলা আয়ুক্ত কাৰ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰূমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হ'ব।

পৰহিলৈ ৪ এপ্ৰিলত গোৱালপাৰা আৰু আমিনগাঁৱত ভোটগণনা কৰা হ'ব আৰু আবেলিৰ ভাগত ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

ৰাজ্যজুৰি স্বাস্থ্যসেৱা সুলভ আৰু ইয়াৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে অসম মন্ত্ৰীসভাত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জিলা স্বাস্থ্য সমিতিসমূহৰ উদ্যোগত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। **শোণিতপুৰ** জিলাৰ ঢেকীয়াজুলিৰ চিতলমাৰীত বিভাগীয় মন্ত্ৰী অশোক সিংহলে এই শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। সুস্থ সমাজ, স্বাস্থ্যৱান অসম গঠনৰ লক্ষ্যৰে অনুষ্ঠিত এই শিবিৰত জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য বিভাগৰ উচ্চ পদস্থ বিষয়া, চিকিৎসক, আশাকৰ্মী আদিৰ লগতে বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শিবিৰত বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা মাতৃ আৰু শিশুৰ স্বাস্থ্য পৰীক্ষা, উচ্চ ৰক্তচাপ, মধুমেহ, মানসিক স্বাস্থ্য পৰীক্ষা, যক্ষ্মা, কুষ্ঠ, মেলেৰীয়া, চিকল ছেল ৰোগ, চকু-নাক-কাণ, দাঁত আদিৰ পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ তথা পৰামৰ্শ প্ৰদান কৰা হয়। **বজালী** জিলাতো জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে পঞ্চায়ত পৰ্যায়ত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰ উদ্বোধন কৰে। **পাঠশালাৰ** উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই শিবিৰত অঞ্চলটোৰ ৰাইজৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে স্বাস্থ্য সন্দৰ্ভত জনসচেতনতা

বৃদ্ধিৰ বাবে স্বাস্থ্য মেলা অনুষ্ঠিত কৰা হয়। **তামুলপুৰ** জিলাৰ কুমাৰীকাটাত জিলা যুটীয়া স্বাস্থ্য সঞ্চালকালয়ৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আজি স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োৱে উদ্বোধন কৰা এই শিবিৰত প্ৰায় ৫ শতাধিক লোকে চিকিৎসকৰ পৰামৰ্শ তথা স্বাস্থ্যসেৱা গ্ৰহণ কৰে। অনুষ্ঠানত আয়ুষ্মান ভাৰত কাৰ্ড, যোগাসন, ধ্যান আৰু পুষ্টি সন্দৰ্ভত আলোচনা কৰা হয়। বিধায়ক জলেন দৈমাৰী, জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীকে ধৰি অঞ্চলটোৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি শিবিৰত উপস্থিত থাকে। **দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ হাজিৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰ আজি জিলাখনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই মুকলি কৰে। এই শিবিৰত গ্ৰামাঞ্চলত থকা ৰোগীসকলক চিনাক্ত কৰি বিনামূলীয়া ঔষধৰ লগতে স্বাস্থ্য বিষয়ক পৰামৰ্শ প্ৰদান কৰা হয়। **বৰপেটা** জিলাতো জিলাখনৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কেওঁটকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত স্বাস্থ্য মেলা উদ্বোধন কৰে। **ধুবুৰী** জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰত বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিত চিকিৎসা প্ৰদান, বিনামূলীয়া ঔষধ যোগান আৰু সচেতনতামূলক সভা অনুষ্ঠিত হয়।

ooooo

ৰাজ্য চৰকাৰৰ আৰোহণ আঁচনিৰ অধীনত আজি **বৰপেটা** জিলাৰ ৩৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত টেবলেট বিতৰণ কৰা হয়। বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বৰপেটা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত প্ৰতীকিৰূপত ১০ গৰাকী ছাত্ৰ-ছাত্ৰীক টেবলেট প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰে দিয়া সমলৰ সদব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

ooooo

কামৰূপ জিলাৰ হালধাত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি এটা মথাউৰিৰ আধাৰশিলা স্থাপন কৰে। কামৰূপ-দৰং সীমান্তৱৰ্তী অঞ্চলৰ বৰনদীৰ সমীপত থকা হালধাৰ পৰা বনিয়াচুবালৈ ৪ কোটি ৭৫ লাখ টকা ব্যয়েৰে মথাউৰিটো নিৰ্মাণ কৰা হ'ব। জলসম্পদ বিভাগৰ কামৰূপ জিলা সংমণ্ডলৰ অধীনত নিৰ্মাণ হ'বলগীয়া মথাউৰিটো বাৰিষাৰ পূৰ্বে সম্পূৰ্ণ কৰাৰ চেষ্টা কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

ooooo

সমাপ্ত